# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 18-01-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব।

২। ভাৰতবৰ্ষক আত্মনিৰ্ভৰশীল আৰু উন্নত ৰাষ্ট্ৰৰূপে গঢ়াৰ দিশৰ পৰা পৰৱৰ্তী দুটা দশক গুৰুত্বপূৰ্ণ হ'ব বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰকাশ কৰিছে।

৩। নতুন দিল্লীৰ দিল্লী হাটত কাৰুশিল্পী আৰু কাৰিকৰসকলৰ সুকীয়া প্ৰদৰ্শনী প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা হাট ২০২৬ আজিৰে পৰা অনুষ্ঠিত হ'ব।

৪। ছত্তিশগড়ৰ বিজাপুৰ জিলাত সুৰক্ষাবাহিনীৰ সৈতে হোৱা সংঘৰ্ষত নিহত মাওবাদীৰ সংখ্যা ৪লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজত চলিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি ইন্দোৰত অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ১০ হাজাৰৰো অধিক শিল্পীয়ে পৰিবেশন কৰা বড়োসকলৰ বাগৰুম্বা নৃত্য উপভোগ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে বাগৰুম্বা কেৱলমাত্ৰ উৎসৱ নহয়, এয়া বড়োসকলৰ কৃষ্টি, সংস্কৃতি আৰু পৰম্পৰাক সন্মান দিয়াৰ এটা মাধ্যম। অসমৰ সংস্কৃতি ওচৰৰ পৰা প্ৰত্যক্ষ কৰিবলৈ পোৱাটো তেওঁৰ বাবে সৌভাগ্য বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। অসমীয়া কলা সংস্কৃতিক বিশ্ব দৰবাৰত জিলিকাই তুলিবলৈ চৰকাৰে সুদূৰ প্ৰসাৰী পদক্ষেপ গ্ৰহণ কৰিছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম, কালীচৰণ ব্ৰহ্ম, ৰূপনাথ ব্ৰহ্মকে ধৰি বড়ো জাতিৰ পুৰোধাসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বাগৰুম্বা দোহৌ বড়ো জনগোষ্ঠীৰ অস্তিত্বৰ পৰিচিতি বুলি তেওঁ মত প্ৰকাশ কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বড়ো জনগোষ্ঠীক সমগ্ৰ ভাৰতৰ গৌৰৱৰ আৰু স্বাভিমানৰ প্ৰতীক বুলি অভিহিত কৰে। বাগৰুম্বা নৃত্যই বড়ো জনগোষ্ঠীৰ কৃষ্টি আৰু সংস্কৃতিক প্ৰতিনিধিত্ব কৰে বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে। তেওঁ লগতে কয়, যে বড়ো জনগোষ্ঠীৰ উন্নয়ন আৰু উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি যাব। প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিয়ে বড়ো জনগোষ্ঠীৰ লোকসকলৰ সন্মান আৰু আদৰ্শক নতুন পৰ্যায়লৈ লৈ গল বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অংশস্বৰূপ বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে আয়োজিত এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মনপ্ৰসাদ আচাৰ্য, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ লগতে কেইবাগৰাকী মন্ত্ৰী, বিধায়ক উপস্থিত থাকে। ইয়াৰ পূৰ্বে পশ্চিমবংগ ভ্ৰমণ সামৰি দুদিনীয়া অসম ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীগৰাকীক বিমান বন্দৰৰ বাহিৰত জনগোষ্ঠীয় নৃত্য গীতেৰে আদৰণি জনোৱা হয়। যোৱানিশা প্ৰধানমন্ত্ৰীগৰাকী কইনাধৰাৰ চৰকাৰী অতিথিশালাত কটায়।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। এই এলিভেটেড কৰিড'ৰে ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তু বাধাহীনভাৱে আহ-যাহ সুনিশ্চিত কৰিব আৰু মানুহ আৰু জীৱ-জন্তুৰ সংঘাত হ্ৰাস কৰাত সহায় কৰিব। এলিভেটেড কৰিড'ৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে পথ সুৰক্ষা বৃদ্ধি পাব, যাত্ৰাৰ সময় ৰাহি হ'ব আৰু দুৰ্ঘটনাৰ হাৰ হ্ৰাস পাব।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **কামাখ্যাৰ পৰা ৰ'হটকলৈ** চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব। এই নতুন ৰে'ল সেৱাই উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰ ভাৰতৰ মাজৰ ৰে'ল যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব।

ooooo

ভাৰতবৰ্ষক আত্মনিৰ্ভৰশীল আৰু উন্নত ৰাষ্ট্ৰৰূপে গঢ়াৰ দিশৰ পৰা পৰৱৰ্তী দুটা দশক গুৰুত্বপূৰ্ণ হ'ব বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰকাশ কৰিছে। তেওঁ কালি উত্তৰাখণ্ডৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি কয়, যে দেশৰ এই যাত্ৰাত ৰাজ্যখনে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। ৰাজ্যখনৰ নবীকৰণযোগ্য শক্তি, জৈৱিক কৃষি, আয়ুষ, পৰ্যটন, ষ্টাৰ্টআপ আৰু দক্ষতা বিকাশৰ বিষয়েও উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আলোকপাত কৰে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিৰ নেতৃত্বত উত্তৰাখণ্ডত যথেষ্ট উন্নয়ন হৈছে বুলি উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে মন্তব্য কৰে। এইক্ষেত্ৰত সংবাদ মাধ্যমৰ ভূমিকা সন্দৰ্ভত মত প্ৰকাশ কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে সংবাদ মাধ্যমৰ গুৰুত্ব অপাৰ। তেওঁ সংবাদ মাধ্যমৰ ইতিবাচক আৰু উন্নয়নমূলক পদক্ষেপসমূহক প্ৰাধান্য দি যুৱক-যুৱতীসকলৰ মাজত যোগাত্মক চিন্তাধাৰা শক্তিশালী কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰাখণ্ডত বিগত দশকত পথ, ৰে'ল সেৱা, বিমান আৰু যোগাযোগৰ ক্ষেত্ৰত বহু উন্নয়ন হৈছে বুলিও তেওঁ মন্তব্য কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ৰাজ্যখনৰ সীমান্তৱৰ্তী অঞ্চলৰ উন্নয়নত গুৰুত্ব দিয়াটো দূৰদৰ্শী কাৰ্য বুলি উল্লেখ কৰে।

ooooo

নতুন দিল্লীৰ দিল্লী হাটত প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ অধীনত কাৰুশিল্পী আৰু কাৰিকৰসকলৰ বাবে আয়োজন কৰা সুকীয়া প্ৰদৰ্শনী প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা হাট ২০২৬ আজিৰে পৰা অনুষ্ঠিত হ'ব। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জিতেন্দ্ৰ মাঝিয়ে কাৰুশিল্পীসকলৰ উদ্দেশ্যে আয়োজন কৰা এই বিশেষ প্ৰদৰ্শনী উদ্বোধন কৰিব। দেশৰ কাৰুশিল্পীসকলৰ চহকী ঐতিহ্যৰ উদযাপন কল্পে আয়োজন কৰা এই প্ৰদৰ্শনীয়ে তেওঁলোকৰ দ্বাৰা নিৰ্মিত সামগ্ৰীসমূহ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰেতা, অংশীদাৰসকল তথা জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত এখন উপযুক্ত মঞ্চ প্ৰদান কৰিব। মন্ত্ৰালয়ে জনাইছে যে দেশৰ বিভিন্ন প্ৰান্তৰ ১১৭ গৰাকী কাৰুশিল্পীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই প্ৰদৰ্শনীয়ে ভাৰতৰ বিচিত্ৰ শিল্প সংস্কৃতিক উজলাই তুলিব। এই মেলাই প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ

হিতাধিকাৰীসকলক উচিত বজাৰ মূল্য প্ৰদান কৰাৰ উপৰি তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ বিশ্বকৰ্মা হাট ২০২৬লৈ বিদেশৰ প্ৰতিনিধিসকলকো আমন্ত্ৰণ জনোৱা হৈছে। উল্লেখযোগ্য যে, জনসাধাৰণৰ বাবে পুৱা চাৰে ১০ বজাৰ পৰা নিশা ১০ বজালৈ খোলা থাকিবলগীয়া এই প্ৰদৰ্শনীত ৩১ জানুৱাৰীত সামৰণি পৰিব।

oooooo

ছত্তিশগড়ৰ বিজাপুৰ জিলাত সুৰক্ষাবাহিনীৰ সৈতে হোৱা সংঘৰ্ষত নিহত মাওবাদীৰ সংখ্যা ৪লৈ বৃদ্ধি পাইছে। নিহতসকলৰ ভিতৰত এগৰাকী মহিলা সদস্য আছে। সুৰক্ষা বাহিনীয়ে সংঘৰ্ষস্থলীৰ পৰা এটা এ কে 47 সহ দুটা ৰাইফল উদ্ধাৰ কৰিছে। বিজাপুৰৰ আৰক্ষী অধীক্ষক ড° জিতেন্দ্ৰ যাদৱে প্ৰকাশ কৰা মতে, জিলাখনত উত্তৰ-পশ্চিম দিশৰ বনাঞ্চল আৰু পাহাৰীয়া এলেকাত কেইজনমান মাওবাদীয়ে আত্মগোপন কৰি থকা বুলি সম্ভেদ লাভ কৰাৰ পাছত জিলা সংৰক্ষিত বাহিনী, কোব্ৰা বেটেলিয়ন আৰু বিশেষ কাৰ্য বাহিনীৰ এটা যৌথ দলে চলোৱা অভিযানৰ সময়ত সূত্ৰপাত হোৱা সংঘৰ্ষত এই মাওবাদী কেইজন নিহত হয়। সংঘৰ্ষস্থলীৰ পৰা মাওবাদীৰ চাৰিটা মৃতদেহ উদ্ধাৰ কৰা হৈছে। অঞ্চলটোত আমালৈ বাতৰি অহাৰ পৰলৈকে সুৰক্ষা বাহিনী আৰু মাওবাদীৰ মাজত ছেগা-চোৰকাকৈ গুলীয়াগুলী অব্যাহত আছিল।

ooooo

কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে কালি কানাডাৰ ব্ৰিটিছ কলম্বিয়া প্ৰাদেশিক চৰকাৰৰ মুৰব্বী **ডেভিদ এবি**ৰ সৈতে ভাৰত আৰু কানাডাৰ মাজত অৰ্থনৈতিক অংশীদাৰিত্ব শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে শ্ৰীগোৱেলে কয়, যে এই বৈঠকত দুয়োখন দেশৰ বাণিজ্য আৰু বিনিয়োগ সহযোগিতা আগবঢ়াই নিয়াৰ বাবে বিশেষ গুৰুত্ব দিয়া হয়। দুয়োখন দেশৰ খনিজ পদাৰ্থ উৎপাদন, প্ৰযুক্তি, শিক্ষা, প্ৰতিৰক্ষা আৰু উদ্ভাৱনৰ দৰে দিশসমূহৰ ওপৰতো এই বৈঠকত আলোচনা কৰা হয়। দুয়োখন দেশৰ মাজত নতুন সুযোগ মুকলি কৰাৰ লগতে দুয়োখন দেশৰ মাজৰ সম্পৰ্কও সুদৃঢ় কৰিবলৈ বৈঠকত আলোচনা কৰা হয় বুলি শ্ৰীগোৱেলে প্ৰকাশ কৰে।

ooooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত চলিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি ইন্দোৰৰ হোলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন দিনৰ ডেৰবজাত আৰম্ভ হ'ব। দুয়োটা দলে সম্প্ৰতি শৃংখলাকৈ একোখনত খেলত জয়লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত জয়লাভ কৰাৰ বিপৰীতে নিউজিলেণ্ডে দ্বিতীয়খন খেলত বিজয়ী হৈছে। উল্লেখযোগ্য যে, নিউজিলেণ্ডে ১৯৮৯ চনৰে পৰা ভাৰতত কোনো দ্বিপাক্ষিক শৃংখলাত জয়ী হোৱা নাই।

ooooo

মহিলা প্ৰিমিয়াৰ লীগ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত কালি নৱী মুম্বাইৰ ড° ডি ৱাই পাটিল স্পোৰ্টছ একাডেমীত অনুষ্ঠিত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ডেলহি কেপিটেলছক ৮ উইকেটত পৰাস্ত কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৬৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু দুটা বলত দুটা উইকেটৰ বিনিময়ত ১৬৯ ৰান কৰে। ইয়াৰ পূৰ্বে ডেলহি কেপিটেলছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৬৬ ৰান কৰে।

প্ৰতিযোগিতাৰ আন এখন খেলত কালি ইউ পি ৱাৰিয়ৰ্ছে মুম্বাই ইণ্ডিয়ানছক ২২ ৰাণত পৰাজিত কৰে। খেলখনত ইউ পি ৱাৰিয়ৰ্ছে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেট হেৰুৱাই ১৮৭ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে ছটা উইকেট হেৰুৱাই ১৬৫ ৰাণ কৰে।

ooooo

**সমাপ্ত**